# 2020

# ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×8 = 8 |
| *Q. No. 2 carries 2 marks each* | 2×5 = 10 |
| *Q. No. 3 carries 4 marks each* | 4×4 = 16 |
| *Q. No. 4 carries 6 marks* | 6 |
| *Q. No. 5 carries 2 marks* | 2 |
| *Q. No. 6 carries 1 mark* | 1 |
| *Q. No. 7 carries 4 marks* | 4 |
| *Q. No. 8 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 9 carries 2 marks each* | 2×4 = 8 |
| *Q. No. 10 carries 4 marks each* | 4×2 = 8 |
| *Q. No. 11 carries 6 marks* | 6 |
| *Q. No. 12 carries 1 mark each* | 1×4 = 4 |
| *Q. No. 13 carries 6 marks* | 6 |
| *Q. No. 14 carries 4 marks each* | 4×2 = 8 |
| *Q. No. 15 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 16 carries 1 mark each* | 1×3 = 3 |
| *Q. No. 17 carries 4 marks* | 4 |
| | Total =100 |

*Contd.*

১। তলৰ *যিকোনো আঠোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ১×৮=৮

(ক) অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ কি?

(খ) 'আগৰৱালাৰ পকী' ক'ত অৱস্থিত?

(গ) ছক্ৰেটিছ্ কোন আছিল?

(ঘ) 'শেষ ক'ত' উপন্যাসখনৰ ৰচক কোন?

(ঙ) 'ডিক্লাইন এণ্ড ফল' গ্ৰন্থৰ ৰচক কোন?

(চ) জৰ্জ্ ষ্টাইনাৰ কোন?

(ছ) কোনগৰাকী আহোম স্বৰ্গদেউৰ দিনত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল?

(জ) স্পেইনত বৰ্তমান সবাতোকৈ জনপ্ৰিয় খেলবিধ কি?

(ঝ) নেপালীসকলৰ জনবিশ্বাস মতে সাগৰ মাথা বা মাউণ্ট এভাৰেষ্টৰ জীয়ৰী বুলি কাক জনা যায়?

২। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=১০

(ক) কৃপণ আৰু খোঁৱাখুলীয়াৰ মাজত থকা পাৰ্থক্য *দুটা* লিখাঁ।

(খ) মহাত্মা গান্ধীয়ে ভাৰতৰ গৱৰ্ণৰ জেনেৰেলক কি বুলি সম্বোধন কৰি চিঠি লিখিছিল?

(গ) সীতা আৰু হেলেনৰ ৰূপৰ বাবে কোন দুখন যুদ্ধ সংঘটিত হৈছিল?

(ঘ) আজিৰ যন্ত্ৰৰ যুগত গুৰুৰ স্থান কিহে কেনেকৈ কাঢ়ি লৈছে?

(ঙ) ক্ৰিকেট খেলৰ সৈতে অসমৰ কোন দুবিধ থলুৱা খেলৰ সাদৃশ্য আছে?

(চ) ২০১৪ চনত অসমৰ কোন দুজন ব্যক্তিয়ে এবাৰেষ্টৰ শীৰ্ষত শিয় হৈ প্ৰথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী হোৱাৰ গৌৰৱ অৰ্জন কৰে?

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৪×৪=১৬

(ক) মানুহে ঋণক পাপৰ লগত কিয় তুলনা কৰে লিখাঁ।

(খ) গান্ধীজীৰ অসম ভ্ৰমণৰ সময়ত ক'ত কোনে মজ্‌লিচ বৈঠকৰ আয়োজন কৰিছিল, বুজাই লিখাঁ।

(গ) "ধনেই ধৰ্মৰ মূল,
ধন নহ'লে যায় জাতি-কুল।" — কথাখিনিৰ সপক্ষে-বিপক্ষে যুক্তি দিয়া।

(ঘ) "কিছুমান কিতাপে ৰাইজৰ ওপৰত অদ্ভুত প্ৰভাৱ পেলায়।" পাঠটোৰ সহায়ত বুজাই লিখাঁ।

(ঙ) "য়ুৰোপৰ বিশ্ববিদ্যালয়বোৰত মেধা-চৰ্চাৰ অনুপ্ৰেৰণা আহিছিল কিন্তু আৰৱ জগতৰ আৰ্হি আৰু প্ৰেৰণাৰ পৰা।" — কথাষাৰ বুজাই লিখাঁ।

(চ) পুৰণি কালত বিহুৰ সময়ত কেনে ধৰণৰ খেল অনুষ্ঠিত হৈছিল?

৪। *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৬

(ক) পদ্মনাথ গোহাঞিবৰুৱা

(খ) কালিৰাম মেধি

(গ) ড° হীৰেন গোহাঁই।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২

(ক) নাজিয়া কিয় হস্পিটেললৈ যাবলগীয়া হ'ল?

(খ) কনকেশ্বৰ ঠাকুৰে তেওঁৰ কন্যা বিনীতাৰ অপাৰেচন কৰাবলৈ ক'ৰপৰা পইচা পালে?

৬। 'বিয়াৰ প্ৰেজেণ্ট' গল্পটোৰ মূল বাৰ্তা কি?

৭। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ

(ক) 'চৈয়দ আব্দুল মালিক'ৰ গল্পৰ *চাৰিটা* বৈশিষ্ট্য লিখাঁ।

(খ) "আপুনি এই টকা এশ লওক, আৰু যি কৰিব লাগে কৰি আহকগৈ।" — কোনে, কাক কি প্ৰসং
এইদৰে কৈছিল বিৱৰি লিখাঁ।

৮। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ১×৩

(ক) মাধৱ কন্দলিয়ে কোন শতিকাত বাল্মীকিৰ সংস্কৃত ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল?

(খ) 'জয় জয় যাদৱ জলনিধিজা...' বৰগীতটি কি ৰাগত ৰচিত?

(গ) ৰতনী যোৱা নাওখনৰ টিংটো কিহেৰে বোলোৱা আছিল?

(ঘ) মৰকত মণি শিৰত জিলিকা দেৱীগৰাকী কোন?

৯। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×

(ক) ৰাৱণক বিভীষণে দিয়া *দুটা* উপদেশ লিখাঁ।

(খ) শংকৰদেৱে এখন সমভাবাপন্ন অসমীয়া সমাজ গঠনৰ বাবে কি দুটা মাধ্যম গ্ৰহণ কৰিছিল?

(গ) "পাৰতে কান্দিছে ধনবৰ দুখীয়া" — ধনবৰে কিয় কান্দিছে?

(ঘ) "মৰম ভিখাৰী, বিচাৰিছোঁ দেৱী
প্ৰাণৰ অমিয়া মাধুৰী।" — কোনে, কাক এনেদৰে কৈছিল?

(ঙ) দেৱকান্ত বৰুৱাক কিয় 'দোমোজাৰ কবি' বুলি কোৱা হয়? তেওঁৰ কোনটো কবিতাত প্ৰথম আধুনিব
প্ৰতিধ্বনি শুনা যায়?

(চ) ৰাজপথৰ দুকাষৰ পাঁচ তলা দালানৰ ওপৰত কি শুনা যায় বুলি কবিয়ে কৈছে?

১০। প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো দুছোৱা)* ৪×২=৮

(ক) “জগতবন্ধুবিধু মাধৱ মধুৰিপু মধুৰ মূৰুতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিংকৰ শংকৰ অভিলাষী।।”

(খ) “নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলে নো কানে কাক?
বিজন বনত কোন ক’ত আছে?
হালিছে গছৰ আগ।”

(গ) “দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ তোমাক ফাঁকি,
তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী।”

(ঘ) “যি মৃত্যুৱে দহক জীৱন দিয়ে,
সেই মৃত্যু আত্মাৰ দৰে অবিনশ্বৰ।”

১১। তলৰ *যিকোনো এটা* কবিতাৰ মূলভাব লিখাঁ ঃ ৬

(ক) ‘ৰাৱণক বিভীষণৰ সজ উপদেশ’

(খ) ‘ধনবৰ আৰু ৰতনী’

(গ) ‘ৰাজপথ’।

১২। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো চাৰিটা)* ১×৪=৪

(ক) ‘সূচনা’ দৰ্শনত দৰ্শকৰ শাৰীত বহি থকা কুশল কোঁৱৰৰ বয়স কিমান আছিল?

(খ) “মূৰ ঘমোৱাৰ দৰ্কাৰ নাই, শংকৰজী। পুলিন বৰুৱা বৃঠিছ নহয়।” সংলাপটি কাৰ?

(গ) প্ৰভাৱতীৰ পিতৃৰ নাম কি আছিল?

(ঘ) কুশল কোঁৱৰক কোনখন গাঁৱৰ আলিবাটত ৰে'ল বগৰোৱাৰ অপৰাধত এৰেষ্ট কৰা হৈছিল?

(ঙ) 'গোমধৰ কোঁৱৰ' নাটকৰ ৰচক কোন?

১৩। (ক) 'কুশল কোঁৱৰ' নাটকখনত মুঠ কেইটা দৰ্শন আছে? অন্তিম দৰ্শনৰ মূল কথাখিনি জুঁকিয়াই লিখাঁ। ১+৫=৬

*অথবা*

(খ) 'কুশল কোঁৱৰ' নাটকত সন্নিবিষ্ট গীতকেইটিৰ বিষয়ে এটি টোকা লিখাঁ। ৬

১৪। উত্তৰ লিখাঁ ঃ *(যিকোনো দুটা)* ৪×২=৮

(ক) "আজিতো বৃটিছক খেদিবলৈ গৈ নিজেই অকলশৰীয়া হ'ল। আপোনাৰ আহ্বান যদি অৰণ্যৰ ৰোদন হয়?" — কোনে, কাক, কি প্ৰসংগত এইদৰে কৈছিল লিখাঁ।

(খ) ৫ নং দৰ্শনত সৰুপথাৰৰ কংগ্ৰেছ অফিচত নিশা কুশল কোঁৱৰে মুকলি কৰা আলোচনাৰ মৰ্মাৰ্থ কি আছিল?

(গ) যোৰহাট কোৰ্টৰ বিচাৰ কক্ষত বৰমুখী গাঁওবুঢ়াই কুশল কোঁৱৰৰ বিৰুদ্ধে কি বুলি সাক্ষ্য দিছিল লিখাঁ।

(ঘ) 'কুশল কোঁৱৰ' নাটকৰ নাট্যকাৰগৰাকীৰ চমু পৰিচয় আগবঢ়োৱা।

১৫। তলৰ *যিকোনো তিনিযোৰা* সমোচ্চাৰিত শব্দৰ অৰ্থৰ পাৰ্থক্য বিচাৰ কৰাঁ ঃ ১×৩=৩

আচল, আঁচল ; গড়, গঁড় ; হাত, হাট ; গাঁও, গাওঁ ; গিৰি, গিৰী ; কাহ, কাঁহ।

১৬। উপযুক্ত ঠাইত চন্দ্ৰবিন্দু আৰু অ' স্বৰ প্ৰয়োগ কৰি তলৰ বাক্যকেইটা শুদ্ধকৈ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) বাওফালে বহা।

(খ) ৰমেনে কলে, "মই আজি নগাৰলৈ যাম।"

(গ) বিয়ালৈ ময়ো গলোঁহেতেন।

(ঘ) সদায় সচা কথা কবা।

(ঙ) 'পঞ্চ'ৰ পৰা পাচ আৰু 'দন্ত'ৰ পৰা দাত শব্দ নিষ্পন্ন হৈছে।

১৭। ভাব সম্প্ৰসাৰণ কৰাঁ ঃ ৪

"শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ।"

*অথবা*

"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল-মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।"

——×——